মানৱ দৰদী শিল্পী—

আদ্রে হেপবাৰ্ণ

শিল্পী ॥ জিতুমণি পাঠক

ক্ষীণাংগী, কৈশোত্তীৰ্ণ এক যুৱতী, দুচকুত বন্য হৰিণীৰ চাৱনি, মুখমণ্ডলত ফুটি উঠা শিশু সুলভ সৰলতা— এইখিনিকেই সম্পদ হিচাপে লৈ এগৰাকী অভিনেত্ৰীয়ে পঞ্চাশ-ষাঠিৰ দশকত দৰ্শকৰ হৃদয়ত এগৰাকী ৰাজকুমাৰীৰ আসনেৰে উপৱিষ্ট হৈছিল। ৰূপকথাৰ চিণ্ডেলাৰ দৰে সমগ্ৰ বিশ্বৰ চলচ্চিত্ৰপ্ৰেমীৰ কম সময়ৰ ভিতৰতে হৃদয়ৰ ৰাণী হৈ পৰা এই অভিনেত্ৰীগৰাকীয়েই আছিল এডা ভন হেপবাৰ্ণ ৰাষ্টন, যি বিশ্বত পৰিচিত আদ্রে হেপবাৰ্ণ নামেৰে।

হলীউডৰ প্ৰথমখন ছবিৰ অভিনয়েৰে অস্কাৰৰ দৰে সন্মান আঁজুৰি আনিবলৈ সক্ষম হোৱা এই অভিনেত্ৰীগৰাকীৰ অভিনয় জীৱনলৈ আগবঢ়া পথছোৱা ৰঙা দলিচা পৰা মসৃণ পথ নাছিল। শৈশৱতে নিজকে এগৰাকী পাৰদৰ্শী নৃত্যশিল্পী হিচাপে কল্পনা কৰা কশমানিজনীয়ে অদৃষ্টৰ পূৰ্ব পৰিকল্পিত পৰিকল্পনা অনুযায়ী পৰিণত হৈছিল এক পৈণত অভিনয় শিল্পীলৈ। তাতোকৈও এক ডাঙৰ পৰিচয় সাঁচি থৈছিল বিধাতাই তেওঁৰ বাবে; আদ্রে হেপবাৰ্ণ— মানৱ দৰদী এক মহীয়সী শিল্পী। নিজৰ শিল্পকৰ্মক মানৱতাৰ হকে উছৰ্গা কৰা এগৰাকী প্ৰকৃত জীৱন-শিল্পী।

১৯২৯ চনৰ ৪ মে'ত বেলজিয়ামৰব্ৰুছেল্‌ছচহৰত জন্ম লভা আদ্রে হেপবাৰ্ণৰ শৈশৱ কালছোৱা পিতৃ-মাতৃৰ মৰমৰ উমাল ডেউকাৰ তলত পালিত হোৱাৰ পৰিবৰ্তে অবাঞ্ছিতভাৱে সাক্ষী হ'ব লগাত পৰিছিল তেওঁলোকৰ তিক্ত সম্পৰ্কৰ। নিজৰেই পত্নীৰ সম্পত্তিৰ এক বুজন অংশ আত্মসাতৰ অভিযোগত অভিযুক্ত হৈছিল হেপবাৰ্ণৰ পিতৃ। অৱশ্যম্ভাৱীভাৱে তেওঁলোকৰ দীৰ্ঘদিনীয়া তিক্ততাময় জীৱনৰ অন্ত পৰিছিল কৰ্টৰ মজিয়াত বিবাহ বিচ্ছেদৰ জৰিয়তে। খুব কম সময়ৰ বাবে দেউতাকৰ সংস্পৰ্শত কটোৱা আদ্রে হেপবাৰ্ণৰ ফুলকুমলীয়া হৃদয়ত এই ঘটনাই বাৰুকৈয়ে সাঁচ বহুৱাইছিল। বিচ্ছেদৰ পিছতে পিতৃৰ সংস্পৰ্শৰ পৰা আঁতৰি আহি মাকৰ সৈতে নতুন জীৱনৰ আৰম্ভণি কৰে হলেণ্ডৰ আৰ্ণহেম চহৰত। মনত সৃষ্টি হোৱা অপ্ৰাপ্তিৰ ক্ষোভ প্ৰশমিত কৰিবলৈয়ে যেন নিজকে সম্পূৰ্ণৰূপে সঁপি দিছিল নৃত্য আৰু গীতৰ মাজত। ককাকৰ ঘৰত আৰম্ভ কৰা এই নতুন জীৱন হয়তো লাহে লাহে মধুময় হৈ আহিবলৈ আৰম্ভ কৰিছিল, কিন্তু সেই সময়তে দ্বিতীয় বিশ্বযুদ্ধৰ কোবাল বতাহজাকে কোবাই থৈ গ'ল এই ক্ষুদ্ৰ আৰ্ণহেম চহৰখনকো। ১৯৪০ চনত জাৰ্মানীৰ নাজি বাহিনীয়ে অধিকাৰ কৰিলে আৰ্ণহেম চহৰ। পৰিয়ালৰ সমস্ত সম্পত্তি বাজেয়াপ্ত হ'ল নাজি বাহিনীৰ হাতত। আৰম্ভ হ'ল এক ভগনীয়া জীৱন। নাজি বাহিনীৰ চকুত ধূলি মাৰি পলাই ফুৰিল এঠাইৰ পৰা আন এঠাইলৈ। নিজ চকুৰে প্ৰত্যক্ষ কৰিলে পৰিয়ালৰ কেইবাজনো সদস্যক নাজি সৈন্যই গুলীয়াই মৰাৰ দৃশ্য। কৈশোৰ-যৌৱনৰ যি সময়ছোৱাত দুচকু হৈ উঠিব লাগিছিল স্বপ্নময়, সেই সময়ছোৱাত ঘনে ঘনে শুনা মৃত্যুৰ পদধ্বনিয়ে তেওঁৰ দুচকুত ফুটাই তুলিছিল আতংক-বিহ্বলতাৰ প্ৰতিচ্ছবি। নিদ্ৰাহীনতা হৈ পৰিছিল তেওঁৰ সংগী। কেইবাদিনো পাৰ কৰিব লগাত পৰিছিল অনাহাৰে। পুষ্টিহীনতাই লাহে লাহে বিবৰ্ণ কৰি আনিছিল ক্ষীণকায় শৰীৰ। অৱশেষত এই সকলো দুঃস্বপ্নক অতিক্ৰমি আদ্রে হেপবাৰ্ণ আৰু তেওঁৰ মাতৃ উপস্থিত হ'লহি লণ্ডনত। তেতিয়া তেওঁৰ বয়স ১৭ বছৰ মাথোন।

লণ্ডনৰ অনুকূল বাতাৱৰণত মৃতপ্ৰায় আদ্রে হেপবাৰ্ণ নামৰ ফুল পাহ যেন পুনৰ প্ৰাণ পাই উঠিল। উদ্দাম গতিৰে আৰম্ভ কৰিলে আধৰুৱাকৈ এৰি অহা নৃত্যৰ শিক্ষা। খুব কম সময়ৰ ভিতৰতে ইংলেণ্ডৰ 'নটিং হিল গেট স্কুল'ৰ তেওঁ এগৰাকী কুশলী নৃত্যশিল্পী হিচাপে পৰিচিত হ'ল। এইবাৰ হেপবাৰ্ণে প্ৰয়াস আৰম্ভ কৰিলে নিজকে এগৰাকী প্ৰফেছনেল বেলে ডান্সাৰ হিচাপে গঢ় দিয়াত। সেই অনুযায়ী নিজকে প্ৰস্তুত কৰিবলৈও আৰম্ভ কৰিলে। কেৰিয়াৰৰ প্ৰথম ষ্টেজ শ্ব' প্ৰদৰ্শনৰ পিছতেই আদ্রে হেপবাৰ্ণ কটাক্ষৰ সন্মুখীন হ'ল। সেই কটাক্ষ অৱশ্যেই তেওঁৰ নৃত্য-পাৰদৰ্শিতাক লৈ নাছিল, আছিল তেওঁৰ উচ্চতাক লৈ। প্ৰফেছনেল বেলে ডান্সাৰ হিচাপে তেওঁৰ উচ্চতা হেনো প্ৰয়োজনতকৈ বেছি। কেৰিয়াৰৰ আৰম্ভণিতেই সমালোচনাৰে মথিমুৰ কৰিবলৈ বিচৰা লণ্ডনৰ সেই ক্ষুদ্ৰ সমাজখনে হয়তো তেতিয়া কল্পনাই কৰিব পৰা নাছিল যে কিমান উচ্চতালৈ আৰোহণ কৰিবলৈ সাজু হৈছে পৰিস্থিতিয়ে হাৰ মনাব নোৱাৰা সেই দৃঢ়মনা যুৱতী আদ্রে হেপবাৰ্ণ।

নৃত্যৰে কেৰিয়াৰ গঢ়িব খোজা হেপবাৰ্ণে জীৱনৰ প্ৰথমটো খোজতে বাধাপ্ৰাপ্ত হৈছিল যদিও তেওঁৰ সন্মুখত খোল খাই গৈছিল আন এখন জগতলৈ প্ৰৱেশ কৰাৰ নতুন দ্বাৰ। সেই জগতখন আছিল অভিনয়ৰ জগত। নৃত্যশিল্পী হিচাপে নিজকে প্ৰতিষ্ঠা কৰাৰ সপোন ব্যৰ্থ হোৱাৰ পিছত কেৰিয়াৰৰ দ্বিতীয় ইনিংছটো আৰম্ভ কৰে অভিনয় শিল্পী হিচাপে। অভিনয় জীৱনৰ প্ৰথমটো খোজ পেলায় ১৯৫১ চনত নিৰ্মিত এখন ব্ৰিটিছ ছবি

'মণ্টে কাৰ্লো বেবী'ৰে। নিতান্তই এক সৰু চৰিত্ৰ। ভিন্ন চৰিত্ৰসমূহৰ ভিৰৰ মাজতো কিন্তু সেই সৰু চৰিত্ৰৰেই হেপবাৰ্ণে নিজৰ প্ৰতিভাৰ উমান দিবলৈ সক্ষম হ'ল। এইবাৰ আৰম্ভ হ'ল হলীউডী যাত্ৰা। হৰিণী নয়না, ডাঠ একোছা ভ্ৰূ আৰু মুখমণ্ডলত ফুটি উঠা সমস্ত সৰলতাৰেই এই অভিনেত্ৰীয়ে পৰৱৰ্তী সময়ত হলীউডত 'ক্লাছ' আৰু 'গ্লেমাৰ'ৰ সংজ্ঞাই সলনি কৰি পেলালে।

জীৱন পথৰ বিপদ সংকুল খলা-বমাবোৰৰ বিপৰীতে হলীউডে যেন এখন ফুলাম দলিচা পাৰি অপেক্ষা কৰি আছিল তেওঁক আদৰিবলৈ। হলীউডী কেৰিয়াৰৰ প্ৰথমখন ছবি 'ৰোমান হলীডে''। তেওঁৰ বিপৰীতে প্ৰতিষ্ঠিত দক্ষ অভিনেতা গ্ৰেগৰী পেক। পৰিচালনাৰ দায়িত্বত উইলিয়াম বেলাৰ। হলীউডৰ নতুন ৰাজকুমাৰীক স্বাগতম জনাবলৈ সেয়া যেন আছিল এক মহা আয়োজন। অভিনয়ৰ ক্ষেত্ৰত তেতিয়ালৈ ইমান পৰিপক্ক হৈ উঠা নাছিল আদ্রে হেপবাৰ্ণ। অৰ্দ্ধ প্ৰস্ফুটিত সেই প্ৰতিভাক পূৰ্ণ ৰূপ দিবলৈ আগুৱাই আহিল গুৰুৰ ৰূপত উইলিয়াম বেলাৰ। তিল তিলকৈ গঢ়ি তুলিলে এগৰাকী পূৰ্ণ অভিনেত্ৰীক। এই সম্পৰ্কত অভিনেত্ৰীগৰাকীয়েও পিছৰ জীৱনত কৈছিল যে আজিলৈ জীৱনত যিমানখিনি অভিনয় কৰিলো, সেই আটাইখিনিয়েই শিকিলো তেওঁৰ (উইলিয়াম ৱেলাৰ) পৰা।

১৯৫৩ চনত 'ৰোমান হলীডে'ই মুক্তি লাভ কৰিলে। নিশাটোৰ ভিতৰতে জন্ম হ'ল এগৰাকী নতুন ষ্টাৰৰ। সকলোৱে সপ্ৰশংস মুগ্ধ নয়নেৰে চাই ৰ'ল হলীউডৰ এই নতুন ৰাজকুমাৰীলৈ। অস্কাৰ সমিতিৰ বিচাৰকসকলেও বিনাদ্বিধাই তুলি দিলে তেওঁৰ হাতত শ্ৰেষ্ঠা অভিনেত্ৰীৰ সন্মান। জীৱনৰ প্ৰথমটো খোজতেই এনে এক প্ৰাপ্তি নিঃসন্দেহে যিকোনো লোকৰ বাবেই কল্পনাতীত। তাতে পাৰ কৰি অহা দীঘলীয়া সংঘাতপূৰ্ণ জীৱনৰ পিছত। কিন্তু সকলোবোৰ যেন পূৰ্ব নিৰ্দ্ধাৰিত আছিল। তাৰ পিছত কোনোদিনেই আদ্রে হেপবাৰ্ণে আৰু পাছুলৈ ঘূৰি চাব লগা নহ'ল। এখনৰ পিছত এখন শ্ৰেষ্ঠ ছবিয়ে শাৰী পাতি থিয় দিৰ'ল তেওঁৰ দুৱাৰমুখত।

'ৰোমান হলীডে'ৰ পিছতো আদ্রে হেপবাৰ্ণে তেওঁৰ অভিনয়ৰ শ্ৰেষ্ঠতাৰ বাবে আৰু চাৰিবাৰকৈ অস্কাৰৰ মনোনয়ন লাভ কৰিছিল। ছবিসমূহ আছিল যথাক্ৰমে— 'ছাব্‌ৰিনা' (১৯৫৪), 'দ্য নান্‌ছ ষ্টৰী', (১৯৫৯), 'ব্ৰেকফাষ্ট এট্ টিফানীছ' (১৯৬১) আৰু 'ৱেইট আনটিল ডাৰ্ক'। অৱশ্যে তেওঁৰ কেৰিয়াৰত মাত্ৰ এবাৰেই তেওঁ এই একাডেমী সন্মানেৰে সন্মানিত হ'বলৈ সক্ষম হ'ল।

আদ্রে হেপবাৰ্ণৰ কেৰিয়াৰ গ্ৰাফডাললৈ লক্ষ্য কৰিলে দেখা যায় যে তেওঁ অধিকতম সফল অভিনেত্ৰী হিচাপে পৰিগণিত হৈছিল মুখ্যতঃ ৰোমাণ্টিক কমেডীসমূহত আৰু এটি উল্লেখনীয় দিশ হ'ল এই ৰোমাণ্টিক কমেডীসমূহত তেওঁৰ বিপৰীতে অভিনয় কৰিছিল তেওঁতকৈ বয়সত যথেষ্ট প্ৰবীণ অভিনেতাসকলে। তেনে কেইখনমান উল্লেখযোগ্য ৰোমাণ্টিক কমেডী হ'ল— 'ফানী ফেচ' (১৯৫৭, বিপৰীতে ফ্ৰেড এষ্টেয়াৰ), 'লাভ ইন আফটাৰনুন' (১৯৫৭, বিপৰীতে গেৰী কুপাৰ), 'চৰাড' (১৯৬৩, বিপৰীতে কেৰী গ্ৰাণ্ট) আদি। অৱশ্যে ইয়াৰ ব্যতিক্ৰমো নোহোৱা নহয়। পিছৰ সময়ছোৱাত যুৱ অভিনেতাৰ সৈতে কৰা দুই-এখন ৰোমাণ্টিক কমেডীও সফল ছবি হিচাপে পৰিগণিত হৈছিল। তেনে দুখন উল্লেখনীয় ছবি আছিল 'টু ফৰ দ্য ৰোড' আৰু 'হাউ টু ষ্টিল এ মিলিয়ন', য'ত তেওঁৰ বিপৰীতে অভিনয় কৰিছিল দুই যুৱ অভিনেতা ক্ৰমে এলবাৰ্ট ফিনি আৰু পিটাৰ অ'টুলে।

আদ্রে হেপবাৰ্ণৰ সংবেদনশীল অভিনয় প্ৰতিভাৰ স্বাক্ষৰ প্ৰতিফলিত হয় 'ৱাৰ এণ্ড পিচ' (১৯৫৬), 'দ্য নান্‌ছ ষ্ট'ৰী' (১৯৫৯) বা 'মাই ফেয়াৰ লেডী' (১৯৬৪) আদি কিছু গম্ভীৰ ছবিত। ইয়াৰে 'ৱাৰ এণ্ড পিচ'ত তেওঁৰ বিপৰীতে অভিনয় কৰা অভিনেতা মেল ফেৰাৰ আছিল তেওঁৰ স্বামী। ১৯৫৪ চনত মেল ফেৰাৰৰ সৈতে বিবাহপাশত আবদ্ধ হোৱা আদ্রে হেপবাৰ্ণৰ সাংসাৰিক জীৱন বৰ বেছি দীৰ্ঘস্থায়ী নহ'ল। এটি সন্তানৰ মাতৃ হোৱাৰ পিছতে ১৯৬৭ চনত তেওঁলোকৰ মাজত বিবাহ বিচ্ছেদ ঘটিল। তাৰ পিছতো আদ্রে হেপবাৰ্ণ দ্বিতীয়বাৰৰ বাবে বিবাহপাশত আবদ্ধ হয় ইটালীৰ বিখ্যাত মনোৰোগবিদ ডাঃ আদ্রে ডটিৰ সৈতে। কিন্তু অদৃষ্টই যেন হেপবাৰ্ণক সাংসাৰিক জীৱনৰ সুখ পূৰামাত্ৰাই ঢালি দিয়াত কাৰ্পণ্য কৰিছিল। দ্বিতীয়খন বিবাহো তেওঁৰ স্থায়ী নহ'ল। ১৯৮২ চনত তেওঁলোকৰ বিবাহ বিচ্ছেদ ঘটিল। ক'বলৈ গ'লে প্ৰথম বিবাহ বিচ্ছেদৰ পিছৰে পৰা যেন আদ্রে হেপবাৰ্ণৰ অভিনয় জীৱনতো লাহে লাহে ইতি পৰি আহিবলৈ ধৰিলে। বিচ্ছেদৰ ছাঁই যেন প্ৰভাৱ পেলাইছিল অভিনয় জীৱনত। হেৰুৱাই পেলাইছিল অভিনয়ৰ ছন্দ। মেল ফেৰাৰৰ সৈতে বিচ্ছেদৰ পিছত মাত্ৰ পাঁচখন ছবিতহে অনুৰাগীসকলে তেওঁক দেখিবলৈ পায়। সেইবোৰ হ'ল যথাক্ৰমে 'অলৱেজ', 'লাভ এমং থিভ্‌ছ', 'দে' অল লাফ্‌ড', 'ব্লাডলাইন' আৰু 'ৰবিন এণ্ড মেৰিয়ন'।

ডাঃ আদ্রে ডটিৰ সৈতে ঘটা দ্বিতীয়টো বিচ্ছেদে আদ্রে হেপবাৰ্ণৰ জীৱনৰ ৰথ সম্পূৰ্ণ নতুন দিশ এটাৰ পিনে ধাৱিত কৰালে। সৃষ্টি হ'ল নতুন এজনী আদ্রে হেপবাৰ্ণৰ, নতুন এক পৰিচয়ৰ মানৱ দৰদী শিল্পী। এই নতুন পৰিচয় সৃষ্টিত সৰ্বতোপ্ৰকাৰে অৰিহণা যোগালে ৰাষ্ট্ৰসংঘৰ ইউনিচেফ নামৰ সংস্থাটোৱে। ইউনিচেফৰ আমন্ত্ৰণক্ৰমেই ১৯৮৯ চনত আদ্রে হেপবাৰ্ণৰ সংস্থাটোৰ 'গুডউইল এম্বেছাডৰ' হিচাপে নিযুক্ত হ'ল। আৰম্ভ কৰিলে জীৱনৰ তৃতীয়টো ইনিংছ। দেহে-মনে নিজকে সঁপি দিলে বিশ্বৰ দুঃস্থ শিশুসকলৰ কল্যাণাৰ্থে। হৃদয়ৰ কোনোবা এটি কোণত হয়তো অনুৰণিত হৈছিল নিজৰ শৈশৱৰ আতংক-বিহ্বল অসহায় অৱস্থাৰ কথা। সেই সময়ত ইউনিচেফেই আগবঢ়াইছিল তেওঁলৈ সহায়ৰ হাত। সেয়েহে ইউনিচেফৰ দ্বাৰা 'গুডউইল এম্বেছাডৰ' হিচাপে নিযুক্ত হৈয়েই তেওঁ কৈছিল, 'I can testify to what UNICEF means to children, because I was among those who received food and medical relief right after World War-II.'

গুডউইল এম্বেছাডৰ হিচাপে নিযুক্ত হৈয়েই হেপবাৰ্ণে প্ৰথম অভিযান আৰম্ভ কৰিলে ইথিঅ'পিয়াত। সেই সময়ত ইথিঅ'পিয়াত খৰাং আৰু গৃহযুদ্ধই ভয়াবহ দুৰ্ভিক্ষৰ সৃষ্টি কৰিছিল। তাৰ পৰা উভতি আহিয়েই তেওঁ সমগ্ৰ বিশ্বক সহায়ৰ বাবে আহ্বান জনালে। আমেৰিকা, কানাডা, ইউৰোপত কেইবাসপ্তাহো ধৰি বক্তৃতাৰ জৰিয়তে প্ৰচাৰ অভিযান চলাই গ'ল। নিজৰ শাৰীৰিক-মানসিক শ্ৰমক আওকাণ কৰি দিনে ১৫টামানকৈ ইণ্টাৰভিউ দিলে। আদ্রে হেপবাৰ্ণৰ নিস্বাৰ্থ এই মানৱপ্ৰেমে বিশ্বৰ সকলোকে মোহিত কৰিলে। তেওঁৰ প্ৰচেষ্টাতেই যেন ইউনিচেফেও বিশ্বৰ জনমানসত এক নতুন মাত্ৰা লাভ কৰিলে।

ইথিঅ'পিয়াৰ অভিযানৰ সফলতাই আদ্রে হেপবাৰ্ণক উৎসাহিত কৰিলে। জীৱনৰ যেন নতুন এক অৰ্থৰ সন্ধান পালে। তাৰ পিছত আৰু ৰৈ থকাৰ কোনো কথা নাই। নিজকে জড়িত কৰি পেলালে ইউনিচেফৰ আন কেইবাটাও ক্ষেত্ৰ অভিযানত। পলিঅ' ভেক্‌চিনৰ প্ৰজেক্ট লৈ উপস্থিত হ'ল তুৰ্কীত। ভেনিজুৱেলাৰ মহিলাসকলৰ সাৰ্বিক উন্নতিৰ বাবে অনুষ্ঠিত কৰালে কেইবাটাও ট্ৰেইনিং প্ৰ'গ্ৰাম। বাটে-পথে ঘূৰি-ফুৰা ইকুৱেডৰৰ অনাথ শিশুসকলৰ বাবে আৰম্ভ কৰিলে অন্ন-বাসস্থান নিশ্চিতিৰ প্ৰকল্প। গুৱাটেমেলা আৰু হণ্ডুৰাছত প্ৰচেষ্টা চলালে বিশুদ্ধ খোৱাপানী যোগান ধৰিবলৈ। এয়া মাথোঁ কেইটামান উদাহৰণ। এইবোৰৰ উপৰি তেওঁ বাংলাদেশ, থাইলেণ্ড, ছুডান, ভিয়েটনাম আদি দেশতো পদাৰ্পণ কৰি গৈছিল বিভিন্ন সময়ত বিভিন্ন প্ৰকল্প হাতত লৈ। ইউনিচেফৰ হৈ আগবঢ়োৱা এই অসাধাৰণ সেৱাৰ বাবে ১৯৯৩ চনত তেওঁক 'জন হাৰছল্ট একাডেমী এৱাৰ্ড'ৰে সন্মানিত কৰা হয়। তদুপৰি ইয়াৰ ঠিক এবছৰ আগত, অৰ্থাৎ ১৯৯২ চনত আমেৰিকাৰ সৰ্বোচ্চ অসামৰিক সন্মান প্ৰেছিডেন্সিয়েল মেডেল অব্ ফ্ৰীডম'ৰেও তেওঁক সন্মানিত কৰা হৈছিল।

জীৱনৰ শেষ মুহূৰ্তটোলৈকে আদ্রে হেপবাৰ্ণে ইউনিচেফৰ হৈ মানৱতাৰ উৎকৰ্ষৰ হকে কাম কৰি গৈছিল। ১৯৯৩ চনৰ ২০ জানুৱাৰীত মানৱ দৰদী এই শিল্পীগৰাকীৰ দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ মৃত্যু ঘটে। মাকৰ স্মৃতিত তেওঁৰ সন্তান ছীনে লিখি উলিয়াইছিল এখন গ্ৰন্থ — 'আদ্রে হেপবাৰ্ণ— এন এলিগেণ্ট স্পিৰিট ঃ এ ছন ৰিমেম্বাৰ্ছ'; য'ত বৰ্ণিত হৈছে দুঃস্থ শিশুসকলৰ বেদনাত হৃদয় সিক্ত হৈ উঠা অন্য এগৰাকী আদ্রে হেপবাৰ্ণৰ কথা। আদ্রে হেপবাৰ্ণেই হৈছে এনে এগৰাকী মৃত শিল্পী, যাৰ বিজ্ঞাপনত আজিও 'আদ্রে হেপবাৰ্ণ চিলড্ৰেন ফাণ্ড'ত বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা বিশাল ধনৰাশি জমা হৈ আহিছে।